# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-01-2026
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

0000000

ভোটাৰ তালিকাৰ খচৰাত সন্দেহজনক লোকৰ নাম দেখা মাত্ৰেই কৰ্তন কৰাৰ বাবে যিকোনো ভাৰতীয় নাগৰিকে আবেদন জনাব পাৰে আৰু এয়া অত্যন্ত গুৰুত্বপূৰ্ণ দায়িত্ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ভোটাৰ তালিকাৰ খচৰাক লৈ বিভিন্ন ৰাজনৈতিক দলে উত্থাপন কৰা অভিযোগ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, যে সকলো ৰাজনৈতিক দলৰে সন্দেহজনক লোক দেখা মাত্ৰেই নাম কৰ্তন কৰাৰ বাবে উপযুক্ত পদ্ধতিৰে আবেদন জনোৱাৰ দায়বদ্ধতা আছে।

*বাইট (চি এম)*

অবৈধ নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰে প্ৰথমৰে পৰাই কঠোৰ স্থিতি গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে বুথ পৰ্যায়ৰ বিষয়াসকলক সন্দেহযুক্ত ভোটাৰৰ নাম কৰ্তন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। সন্দেহজনক নাগৰিকৰ বিৰুদ্ধে প্ৰতিগৰাকী ভাৰতীয় নাগৰিকে ৬, ৭ আৰু ৮ নম্বৰ নিৰ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰি অভিযোগ দাখিল কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে, ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা উচ্ছেদিত লোকসকলৰ নাম সেই অঞ্চলৰ ভোটাৰ তালিকাত নাথাকিব বুলিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি দিছে। দখলীকৃত ভূমি দখলমুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে কঠোৰভাৱে উচ্ছেদ অভিযান চলাই যাব বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উচ্ছেদিত লোকসকল যদি কোনো এটা স্থানলৈ গৈ নতুনকৈ বসতি কৰিবলৈ লয় নাইবা ভাৰাতীয়া হিচাপে থাকে তেতিয়া তেওঁলোকৰ নাম তালিকাত অন্তৰ্ভুক্ত হ'ব পাৰে।

ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কালি শিৱসাগৰত এখন সংবাদমেলত বিজেপিয়ে ৰাজ্যৰ বাহিৰৰ পৰা ভোটাৰ আনি অসমৰ প্ৰকৃত ভোটাৰৰ নাম কৰ্তন কৰিছে বুলি অভিযোগ কৰে। তেওঁ লগতে এই সন্দৰ্ভত নিৰ্বাচন আয়োগে নিজাববীয়াকৈ গোচৰ ৰুজু নকৰাকলৈও প্ৰশ্ন উত্থাপন কৰে।

0000000

ৰাজ্য চৰকাৰৰ নিযুক্তি প্ৰক্ৰিয়াৰ অংশস্বৰূপে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা, এ ডি আৰ ইত উত্তীৰ্ণ ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীক আজি গুৱাহাটীৰ খানাপাৰাৰ নৱনিৰ্মিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ সূত্ৰ অনুসৰি কাইলৈ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত এ ডি আৰ ইত উত্তীৰ্ণ ৬ হাজাৰ ৩৪৭ গৰাকী তৃতীয় বৰ্গৰ প্ৰাৰ্থীক নিযুক্তি

পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে ১২ জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠী প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই নিযুক্তি সম্পন্ন হ'লে নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ৫৬ হাজাৰ ৬৭৭লৈ বৃদ্ধি পাব।

০০০০০০০

ধেমাজি জিলাক স্বাৱলম্বী ৰূপ দিয়াৰ উদ্দেশ্যে জিলা প্ৰশাসন, ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰ আৰু আত্মনিৰ্ভৰ ধেমাজি সমিতিৰ উদ্যোগত আজিৰে পৰা ১২ জানুৱাৰীলৈ ধেমাজিৰ কছাৰী ময়দানত আত্মনিৰ্ভৰ ধেমাজি শীৰ্ষক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আত্মনিৰ্ভৰ ধেমাজি হৈছে জিলাখনৰ কৃষি, পশুপালন, মৎস্যপালন, ৰেচম শিল্প আদিৰ সৈতে জড়িত কৃষক, মহিলা আৰু উদ্যোগী যুৱক-যুৱতীৰ বিশেষ মঞ্চ। এই কাৰ্যসূচীত কৃষক সমাৰোহ, কৃষি বাণিজ্য মেলা, আত্মসহায়ক গোটৰ মেলা, বিভিন্ন বিষয়ৰ আলোচনা সত্ৰ আৰু প্ৰযুক্তি প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ফটো প্ৰদৰ্শনী, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হৈছে।

০০০০০০০

চৰাইদেউ জিলাৰ পাটসাঁকোত যোৱা ৬ জানুৱাৰীৰ পৰা অনুষ্ঠিত পাটসাঁকো গ্ৰন্থমেলাৰ কালি সামৰণি পৰে। অন্তিম দিনা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° ৰমেশ চন্দ্ৰ বৰপাত্ৰগোহাঁইক তেওঁৰ শৈক্ষিক আৰু বৌদ্ধিক অৱদানৰ স্বীকৃতিস্বৰূপে ২০২৬ বৰ্ষৰ স্বৰ্গদেউ ছুহুংমুং বঁটা প্ৰদান কৰা হয়। সদৌ টাই-আহোম ছাত্ৰ সন্থাৰ পাটসাঁকো আঞ্চলিক সমিতি আৰু কেইবাটাও সামাজিক সংগঠনৰ যুটীয়া প্ৰচেষ্টাত আয়োজন কৰা গ্ৰন্থমেলাত গ্ৰন্থপ্ৰেমীৰ পৰা সঁহাৰি লাভ কৰা বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০০০

ৰাষ্ট্ৰীয় মহিলা আয়োগে ৰাজ্যৰ বিভিন্ন প্ৰান্তত বৃদ্ধি পোৱা মানৱ সৰবৰাহৰ বিষয়ক লৈ উদ্বেগ প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া ৰাহটকাৰে কালি ডিব্ৰুগড়ত সাংবাদিকৰ আগত কয়, যে ৰাজ্যৰ বিভিন্ন অংশত বৃহৎ পৰিসৰত মানৱ সৰবৰাহৰ ঘটনা বৃদ্ধি পাইছে আৰু এয়া অতি উদ্বেগজনক বিষয়। ৰাষ্ট্ৰীয় মহিলা আয়োগে মহিলা আৰু শিশু সৰবৰাহ ৰোধ কৰাৰ বাবে কাম কৰি আহিছে বুলি উল্লেখ কৰি শ্ৰীমতী ৰাহাটকাৰে এইক্ষেত্ৰত কাম কৰা সকলো অংশীদাৰীৰে প্ৰয়োজনীয় প্ৰশিক্ষণ আৰু সজাগতা থকা উচিত বুলি মন্তব্য কৰে। কালিৰ সংবাদমেলত মহিলা আয়োগৰ অধ্যক্ষাগৰাকীয়ে অসমৰ চাহ জনগোষ্ঠী অঞ্চলৰ বিশেষকৈ চাহ বাগিচাত কৰ্মৰত মহিলাসকলৰ বিভিন্ন সমস্যা সন্দৰ্ভত আলোকপাত কৰে।

০০০০০০০

**সমাপ্ত**